আকাৰ আৰু নতুনত্ব হ'ল মনোযোগৰ বাহ্যিক অথবা বস্তুনিষ্ঠ কাৰক। আনহাতে আগ্রহ আৰু হেঁপাহ মনোযোগৰ আভ্যন্তৰীণ অথবা বিষয়নিষ্ঠ কাৰক।

৪ নং প্রশ্নৰ উত্তৰ: তাৎক্ষণিক পৰিৱেশত বিদ্যমান কিমানটো বস্তু প্রতি মানুহ এজনে মনোযোগ দিব পাৰে সেই সীমাটোকে মনোযোগৰ বিস্তৃতি বোলা হয়। অমনোযোগী নোহোৱাকৈ কোনো এটা কামত মানুহ এজনে কিমান সময় কটাব পাৰে সেয়াই তেওঁৰ মনোযোগৰ বিস্তৃতি। পৰিৱেশত দৃশ্যমান হৈ থকা উদ্দীপক অথবা বিষয়বস্তুৰ কেৱল জিলিঙনি দেখাৰ পাছত মানুহ এজনে কেইটা উদ্দীপক সম্পর্কে স্পষ্ট ধাৰণা ল'ব পাৰে সেয়াই তেওঁৰ মনোযোগৰ বিস্তৃতি বুলি ক'ব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ: ১৮৫৯ চনত ছাৰ উইলিয়াম হেমিল্টনে মনোযোগ বিস্তৃতি সম্পর্কে পোন প্রথমবাৰৰ বাবে পৰীক্ষা কৰি চাইছিল।

৬ নং প্রশ্নৰ উত্তৰ: (ক)হ্রস্ব ম্যাদী স্মৃতি সামর্থ (খ) চেতনা(গ) অনুভাৱক ভাণ্ডাৰ, হ্রস্বম্যাদি স্মৃতি কক্ষ

৭ নং প্রশ্নৰ উত্তৰ: মনোযোগৰ বিভাজন মানে হ'ল একেটা সময়তে দুটা পৃথক কামত মনোনিৱেশ কৰা। দুয়োটা কামৰ স্বৰূপ ভিন ভিন হ'ব লাগে। এনে কাম দুটাক একোটা গোটত অর্ন্তভুক্ত কৰিব পাৰি অথবা দুয়োটা কামৰ মাজৰে এটা স্বয়ংক্রিয় কাম হ'ব নোৱাৰিব।



৩.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মনোযোগৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ অনৈচ্ছিক মানোযোগ মানে কি?

প্রশ্ন ৩ ঃ ঐচ্ছিক মনোযোগ মানে কি?

প্রশ্ন ৪ ঃ প্রৰোচিত অনৈচ্ছিক মনোযোগ মানে কি?

প্রশ্ন ৫ ঃ স্বত:স্ফুর্ত অনৈচ্ছিক মনোযোগ মানে কি?

প্রশ্ন ৬ঃ নিগূঢ় ঐচ্ছিক মনোযোগ মানে কি?

প্রশ্ন ৭ ঃ স্পষ্ট ঐচ্ছিক মনোযোগ মানে কি?

(খ) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ মনোযোগৰ প্রকৃতি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মনোযোগ কেনেদৰে বৰ্তাই ৰাখিব পাৰি ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ টেচিটোস্কোপৰ এটি চমু বৰ্ণনা দিয়ক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ ৰ পৰা ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মনোযোগৰ কাৰণ অথবা কাৰকবোৰ বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মনোযোগৰ বিভাজন নিৰ্ণয় কৰিবলৈ নিজে এটা পৰীক্ষা সম্পাদন কৰক।

*** ***** ***